**<u>NEWSPAPER CUTTING</u>**

Paper cutting of the Popular Lecture on **Life, Works and Philosophy of Srimanta Sankardeva,** organised by Assamese Department in collaboration with the Departments of Sanskrit and Philosophy Department of B. N. College, Dhubri, Assam on 23.02.2021. This Report has been published in the **News Paper- PRATIDIN on 23.02.2021**

**<u>SNAP SHOT OF THE NEWSPAPER- PRATIDIN:</u>**



# ধুবুৰীৰ ভোলানাথ কলেজত বিশেষ বক্তৃতা অনুষ্ঠান সম্পন্ন

প্ৰতিদিন বিশেষ সেৱা, ধুবুৰী, ২৩ ফেব্ৰুৱাৰী : ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু দৰ্শন বিভাগ আৰু সংস্কৃত বিভাগৰ সহযোগত আজি মহাপুৰুষ শংকৰদেৱৰ জীৱন-সাহিত্য আৰু দৰ্শন বিষয় সন্দৰ্ভত এখন বিশেষ বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে সংস্কৃত ভাষাত মংগলাচৰণ কৰে সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক ড° মৌচুমী ভট্টাচাৰ্যই। অনুষ্ঠানৰ লক্ষ্য-উদ্দেশ্যৰ বিষয়ে কয় অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° উপেন্দ্ৰজিত শৰ্মাই। ভাষণত ড° শৰ্মাই কয়— 'শংকৰদেৱ বহুধা গুণসম্পন্ন ব্যক্তি। শংকৰদেৱক নাজানিলে আমাৰ জ্ঞান, দৰ্শন পৰিপূৰ্ণ হ'ব বুলি আমি দাবী কৰিব নোৱাৰো।' শংকৰদেৱৰ জীৱন, সাহিত্য আৰু দৰ্শন সন্দৰ্ভত বক্তব্য আগবঢ়ায় বিজনী মহাবিদ্যালয়ৰ অৱসৰী উপাধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ, গৱেষক সাহিত্যিক ড° প্ৰমথেশ ৰায়ে। ভাষণ প্ৰসংগত ড° ৰায়ে শংকৰদেৱৰ ধৰ্মীয় দৰ্শন, মানৱতাবাদ, অসমীয়া জাতি গঠন প্ৰক্ৰিয়া আদিৰ বিষয়ে কয়। অনুষ্ঠানৰ বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰে অসমীয়া বিভাগৰ অৱসৰী অধ্যাপক ড° দ্বীপেন্দ্ৰ কুমাৰ অধিকাৰীয়ে। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপক ৰীতা ৰৰাই। অনুষ্ঠানত অসমীয়া বিভাগৰ ড° অলকা শৰ্মা, ড° কৰুণাকান্ত দাস, ড° পলী বেজবৰুৱা, ছাইফুল হাছান, দৰ্শন বিভাগৰ নৱনীতা দেৱী, নমিতা পামেগাম, কাকলি বেজবৰুৱা, সংস্কৃত বিভাগৰ ড° চন্দ্ৰশেখৰ উপাধ্যায় উপস্থিত থাকে। অনুষ্ঠানত অসমীয়া, দৰ্শন আৰু সংস্কৃত বিভাগৰ লগতে আন আন বিভাগৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।